**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-DEC-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২১ ডিচেম্বৰত ডিব্ৰুগড় জিলাৰ নামৰূপত স্থাপন হ'বলগীয়া এম'নিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই কাৰ্যসূচীৰ প্ৰস্তুতি সন্দৰ্ভত সকলো দিশ সামৰি কালি এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ভাৰ্চুৱেলীভাৱে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়েও অংশগ্ৰহণ কৰে। নাহৰকটীয়া সমষ্টিৰ বিধায়ক তৰংগ গগৈৰ লগতে কেইবাটাও বিভাগৰ সংশ্লিষ্ট বিষয়াই অংশগ্ৰহণ কৰা এই বৈঠকত মুখ্যমন্ত্ৰীগৰাকীৰ প্ৰধানমন্ত্ৰীৰ নামৰূপ ভ্ৰমণ কাৰ্যসূচী সফল কৰাৰ বাবে সকলো প্ৰকাৰৰ দিশ আলোচনা কৰি বিভাগসমূহক কেতবোৰ নিৰ্দেশনা প্ৰদান কৰে। প্ৰধানমন্ত্ৰীৰ এই অনুষ্ঠান সাফল্যমণ্ডিত কৰি তোলাৰ বাবে সকলো বিভাগকে তৎপৰতাৰে দায়িত্ব পালন কৰিবলৈও নিৰ্দেশ দিয়ে।

oooooo

ডিব্ৰুগড়ৰ লৰা হাইস্কুল খেলপথাৰত কালিৰেপৰা মিচিং স্বায়ত্তশাসিত পৰিষদৰ সপ্তদশ মিচিং হস্ততাঁত বস্ত্ৰমেলা অনুষ্ঠিত হৈছে। মন্ত্ৰী প্ৰশান্ত ফুকনে বস্ত্ৰমেলাৰ দুৱাৰ মুকলি কৰে। শ্ৰী ফুকনে নিজৰ ভাষণত কয়, যে বহিঃৰাজ্যৰ পৰা অহা যন্ত্ৰচালিত শালৰ কাপোৰতকৈ স্থানীয় হস্ততাঁত বস্ত্ৰৰ গুৰুত্ব অধিক। মন্ত্ৰীগৰাকীয়ে স্থানীয় শিপিনীসকলক বহিঃৰাজ্যৰ এনে বস্ত্ৰৰ আমদানিয়ে যাতে বজাৰ ল'ব নোৱাৰে তাৰবাবে সচেতন হ'বলৈ আহ্বান জনায়।

বাইট

এই অনুষ্ঠানত সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ৭ ডিচেম্বৰলৈ চলিবলগীয়া এই মেলাত কমেও ৫০ খন বিপনীয়ে অংশ লৈছে।

oooooo

যোৰহাট-মাজুলী সংযোগী দলংখন ২০২৮ চনৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি কালি ৰাজ্যসভাত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে যোৱা ৬ অক্টোবৰত দলংখনৰ নিৰ্মাণৰ দায়িত্ব নতুন নিৰ্মাণকাৰী সংস্থাক অৰ্পণ কৰা হৈছে। ৰাজ্যসভাৰ প্ৰশ্নোত্তৰ কালত অগপৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই উত্থাপন কৰা প্ৰশ্নৰ উত্তৰত শ্ৰী গাডকাৰীয়ে কয়, যে ২০২১ চনৰ ৯ জুলাইত আৰম্ভ হোৱা দলংখনৰ নিৰ্মাণকাৰ্য চলিত বছৰৰ ৮ জুলাইত সম্পূৰ্ণ হোৱাৰ কথা আছিল, কিন্তু নিৰ্মাণকাৰ্য প্ৰায় ৩০ শতাংশ সম্পন্ন হোৱাৰ পাছত পূৰ্বৰ ঠিকাদাৰে কাম বন্ধ কৰি দিয়াৰ বাবে তেওঁলোকক জৰিমণা দিয়া হয়। ইয়াৰ পাছতে যোৱা ২৯ মাৰ্চত দলঙৰ নিৰ্মাণকাৰ্য পুনৰ আৰম্ভ কৰাৰ বাবে এহেজাৰ ১৯ কোটি ১৭ লাখ টকা অনুমোদন জনোৱা হয়।

oooooo

ধেমাজি জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতে এগৰাকী নাবালিকাক নিৰ্যাতনৰ গোচৰত অভিযুক্ত এজনক আজি ২০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ ৰায় দিয়ে। ২০২১ চনৰ জুলাইত সংঘটিত এই ঘটনাৰ গোচৰত জিলা আৰু ছেছন ন্যায়াধীশ কল্যানজিৎ শইকীয়াৰ আদালতে অভিযুক্ত লকবাহাদুৰ ছেত্ৰীক ভাৰতীয় দণ্ডবিধিৰ ৩২৩, ৩২৪, ৩৭৬ ধাৰা আৰু পকছ' আইনৰ ৬ নম্বৰ ধাৰাৰ অধীনত দোষী সাব্যস্ত কৰি শাস্তিৰ ৰায় দিয়ে।

০০০০০০

অসম সাহিত্য সভাৰ মুখ্য কাৰ্যালয় যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ শতবৰ্ষ মহোৎসৱ দুদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচী অনুষ্ঠিত হয়। যোৰহাটবাসী ৰাইজ আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা সাহিত্য অনুৰাগীৰ উপস্থিতিত এই ঐতিহ্যপূৰ্ণ ভৱনটোৰ গৌৰৱপূৰ্ণ শতবৰ্ষ অনুষ্ঠানটো উদযাপিত হয়। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি সাংস্কৃতিক শোভাযাত্ৰা, আলোচনাচক্ৰ, স্মৃতি গ্ৰন্থ উন্মোচন কৰাৰ লগতে সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়। এই অনুষ্ঠানত ৰাজ্যৰ ভিন্ন প্ৰান্তৰ বিশিষ্ট সাহিত্যিক, নৱ প্ৰজন্মৰ প্ৰতিনিধিকে ধৰি বহুলোকে অংশগ্ৰহণ কৰে।

০০০০০০

সদৌ মটক যুৱ ছাত্ৰ সন্মিলন আৰু মটক স্পৰ্টছ ক্লাবৰ উদ্যোগত ডিব্ৰুগড় জিলাৰ চৌকিডিঙি খেলপথাৰত অনুষ্ঠিত দিবা-নৈশ খেল প্ৰতিযোগিতাৰ চূড়ান্ত খেলত মুখ্য অতিথি হিচাপে মন্ত্ৰী পীযূষ হাজৰিকাই অংশগ্ৰহণ কৰে। মটক ৰজা স্বৰ্গদেউ সৰ্বানন্দ সিংহ সোঁৱৰণী অষ্টম বাৰ্ষিক ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই প্ৰতিযোগিতাখন ২২ নৱেম্বৰত আৰম্ভ হৈছিল। কালি নিশা চূড়ান্ত খেলত তিনিচুকীয়াৰ বাৰেকুৰি আৰ এছ আৰু মণিপুৰৰ ক্লাব ৰেংগাদাই মাজত অনুষ্ঠিত হয়। উল্লেখযোগ্য যে খেলখনত দুয়োটা দলকেই বিজয় ঘোষণা কৰা হয়।

০০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি পুৱা শ্ৰীভূমি জিলাৰ অসম-ত্ৰিপুৰা সীমান্ত এলেকা খাগ্ৰাবাজাৰ গাওঁ পঞ্চায়তৰ জনজাতীয় বসতিপ্ৰধান দচদেৰা খাছীগাওঁ পৰিদৰ্শন কৰে আৰু চোৰেই, ৰানলং, জনজাতীয় সম্প্ৰদায়ৰ সৈতে মত বিনিময় কৰে। কথোপকথন কালত মন্ত্ৰীগৰাকীয়ে বৰ্তমানেও বনাঞ্চলত বাস কৰা সম্প্ৰদায় দুটাৰ উদ্বেগ আৰু প্ৰত্যাহ্বানৰ বুজ লয়। তেওঁ কয় যে তেওঁলোকৰ আৱশ্যকতাসমূহ পূৰণ কৰিবলৈ আৰু জনজাতি বসতিপ্ৰধান দুৰ্গম অঞ্চলসমূহৰ সৰ্বাত্মক উন্নয়নৰ প্ৰতি প্ৰশাসন বদ্ধপৰিকৰ।

০০০০০০

সমাপ্ত